সোমাইছে নেকি? হঠাতে তাইক চোৱাৰ ইচ্ছা তাৰ তীব্ৰতৰ হৈ উঠিল। যিমান পাৰে বাইকৰ স্পিড বঢ়ালে।

যিকোনো প্ৰকাৰে সি আজি তৰাক ৰাজী কৰাবই। প্ৰথমে হয়তো তৰাই ইতস্ততঃ কৰিব। কিন্তু সি বুজাব। বুজাব যে অহা দিনবোৰত ৰ'দে বেয়াকৈ দহিব তাইক, গছেও ছাঁ দিবলৈ পাহৰিব হয়তো, ইমান চিধা গছ এজোপা ধুমুহাত কেনেকৈ থিয় হৈ থাকিব? গতিকে তাই কাৰোবাক আপোন কৰি লোৱাই মংগল, য'ত শাৰীৰিক সংযোগতকৈ মনৰ সংযোগ অধিক থাকিব। আৰু সেইজন হ'ব সি নিজে। তাই ৰাজী হ'লেই সি মাকক ক'ব। মাক মান্তি নহ'লে বুজাব। হয়তো মাকেও বুজিব। তেৰোঁ এগৰাকী কোমল বয়সতে বৈধব্যক সাবটি লোৱা দুখী মহিলা। নিশ্চয় বুজিব—হৃদয়ৰ তাগিদাত কাৰোবাক আপোন কৰি লোৱাটো একধৰণৰ স্বৰ্গীয় সুখানুভূতি।

মাথোঁ ভাবি গৈ আছে সি। তৰাই দিয়া ঠিকনা মতে আৰু এক ফাৰ্লংমান বাকী। সৌৱা তৰা ভাৰাঘৰৰ পদুলিমুখতে থিয় হৈ আছে। সি স্পষ্টকৈ দেখিছে—হয় তায়েই তৰা। সেইখন মুখে তাক আৰু ফাকি দিব নোৱাৰে। হৃদয়ত দাগ কটা সেই মুখ।

ঠাচ! মুহূৰ্ততে যেন সকলো ঠানবান হৈ গ'ল। তৰা দূৰৈত ছিটিকি পৰিল। তাইক খুন্দা মাৰিয়েই আৰ্মিৰ গাড়ীখন তাৰ কাষেদি হুৰহুৰাই পাৰ হৈ গ'ল। সি চিঞৰিলে। কিন্তু গাড়ী নৰখালে। মানুহ গোট খাই পৰিল। দুজনমানৰ লগত সূৰুযে এম্বুলেঞ্চত ভৰাই স্থানীয় চিকিৎসাকেন্দ্ৰলৈ তাইক লৈ গ'ল। তাই তাক কিবা ক'ব খুজিছে, কিন্তু পৰা নাই। কিবা বুজাইছে সি বুজি পোৱা নাই। পাছ মুহূৰ্ততে তাইৰ মুখৰ মাত নোহোৱা হৈ পৰিল।

গুৱাহাটী মেডিকেল কলেজ হস্পিটেললৈ ৰেফাৰ কৰা হ'ল তাইক। আগে আগে এম্বুলেঞ্চ, পিছে পিছে সূৰুযৰ বাইক দূৰন্ত গতিত চলি থাকিল। এই সময়ত সূৰুযে একো ভবা নাই। মাথোঁ কেনেকৈ তাইক জীৱন দিব পাৰে তাৰেই চিন্তাত ভগৱানৰ ওচৰত বাৰে বাৰে প্ৰাৰ্থনা কৰি গৈ আছে। সি বুজি উঠিছে—জীৱনৰ প্ৰতিটো স্তৰতে কিছুমান নিষ্পাপ অনুভূতি থাকে। হৃদয়ৰ পৰা হৃদয়লৈ এই সাঁকোৰেদি যোৱাৰ যাৰ সৌভাগ্য হৈছে, অকল তেওঁহে বুজিব কিমান মধুৰ জীৱনৰ এই ভালপোৱা। গতিকে নিজৰ জীৱন দি হ'লেও সি তাইক বচাবই লাগিব।

মেডিকেলৰ ইমাৰজেন্সি ৱাৰ্ডত এটা নিস্তেজ শৰীৰ পৰি আছে—যেন জীৱনৰ প্ৰতি সকলো মোহ হেৰুৱাই পেলাইছে। এবাৰ অক্সিজেনৰ মাস্কখন খুলি দিওঁতে তাই ছটফটাই উঠিল, যেন তপত তেলত এটা জীয়া মাছ। তাৰ পাছতেই আই ছি ইউত ভৰাই দিয়া হ'ল। কিবাকৈ এটা আই ছি ইউ খালী হৈছিল মাথোঁ। লগত অহা মানুহ দুজনক অলপ পইচা-পাতি দি সি বিদায় দিলে। আই ছি ইউৰ বাহিৰত সি অহা-যোৱা কৰি থাকিল।

পিছফালে চাই দেখিলে লৰালৰিকৈ এজন যুৱক তাৰ কাষলৈ আহিল। তাক হঠাতে আঁকোৱালি ল'লে আৰু ক'লে—"ধন্যবাদ দোস্ত। আপোনাৰ উপকাৰ মই কাহানিও পাহৰিব নোৱাৰিম। জীৱন-মৰণ ভগৱানৰ হাতত। কিন্তু আপোনাৰ চেষ্টাত তাই চিকিৎসাৰ এই পৰ্যায়লৈ অহাত মই আপোনাক কেনেকৈ ধন্যবাদ দিওঁ, ভাষা নাই।"

"মই একো বুজা নাই। আপুনি কোন?"

"মোৰ নাম চিন্ময়। যি জীৱন-মৃত্যুৰ সৈতে যুঁজি আছে, তাই মোৰ প্ৰেমিকা, বাকদত্তা। আৰু এমাহ পাছত আমাৰ বিয়াৰ দিন ঠিক হৈছিল। নাজানো মোৰ কপালত কি আছে।"

যুৱকজনে হুকহুককৈ কান্দিবলৈ ধৰিলে।

"অলপ ধৈৰ্য ধৰকচোন। নিশ্চয় তেওঁ ভাল হ'ব। ডাক্তৰে কৈছে যে সোনকালে চিকিৎসা পাইছে যেতিয়া ৰোগী ভাল হোৱাৰ আশা আছে।"

যদিও সূৰুযে চিন্ময় নামৰ যুৱকজনক কথাখিনি কৈছে, তাৰ যেন ভৰিৰ তলৰ পৰা পৃথিৱীখন নোহোৱা হৈ পৰিছে। তাৰমানে তৰাই তাক ইমানদিনে ফাকি দি আছিল। সেয়ে ফোন নম্বৰ দিবলৈও তাই অপাৰগ হৈছিল। তেন্তে কিয় তাই ফে'ছবুকৰ প্ৰফাইলত 'ছিংগল' বুলি লিখি থৈছিল? ইমান ছলনাময়ী নেকি নাৰী?

এনে সংকটজনক অৱস্থাত সি তাইৰ বিষয়ে ইয়াতকৈ আৰু বেয়া নাভাবে। ভগৱানে তাইৰ ভাল কৰক। প্ৰেমিকৰ সৈতে বিয়াখন হওক। চিন্ময়ক কৰমৰ্দন কৰি সি বিদায় ল'লে। দুখোজ যোৱাৰ পাছত পিছফালৰ পৰা কোনোবাই 'সূৰুয' বুলি মতা শুনি ঘূৰি চালে। এগৰাকী যুৱতী। হয়তো যুৱকজনৰ কাষতে তাই ইমান দেৰি থিয় হৈ আছিল। সিহে দেখা নাছিল। তাৰ মন-মগজুৱে যেন ভালদৰে কাম কৰা নাই। ইচ্ছা-অনিচ্ছাৰ মাজতে সি অলপ আগবাঢ়ি গ'ল।

"সূৰুয?"

"হয়, কওকচোন।"

"মোক চিনি পোৱা নাই নহয়?"

"ওহোঁ। নাই পোৱা।"

"মই 'তৰা' ...।"

"তৰা? তেন্তে তেওঁ কোন—যাক মই এডমিট কৰালোঁ।"

"মোৰ কলিগ নিশা। মোৰ লগতে থাকে ভাৰাঘৰটোত। মই বাথৰুমলৈ যোৱাত তায়েই পদুলিত ৰৈ আছিল তোমাক ঘৰটো চিনাই দিবলৈ। আৰু সেই সময়তে দুৰ্ঘটনাটো ...।"

তৰাই ৰ'ব নোৱাৰিলে। হুকহুকাই কান্দি উঠিল। সূৰুযে তৰাক ধৰি একাষৰীয়াকৈ লৈ গ'ল। তাইৰ চকুপানীবোৰ মচি দিলে। কাষলৈ চপাই আনি সি সৰুকৈ তাইক ক'লে—"দিয়া! এতিয়াৰ পৰা তোমাৰ চকুপানীবোৰ মোক দিয়া ...।"

ঠিকনা ঃ বিজয়ান্ট এনক্লেভ, এ৪, মিলনপুৰ ৰ'ড, চানমাৰি, গুৱাহাটী-৭৮১০২১, ফোন ঃ ৯৮৬৪১৮৯৭৯১

## প্ৰান্তিকৰ লেখক-লেখিকালৈ অনুৰোধ

● লেখক-লেখিকাসকলে আমালৈ কোনো লেখা পঠিয়ালে লেখাটোৰ প্ৰতিলিপি এটা নিজৰ হাতত ৰাখিবলৈ অনুৰোধ কৰা হ'ল।

● অপ্ৰকাশিত লেখা যথা সময়ত ওভতাই পাবলৈ হ'লে লেখাটোৰ লগতে নিজৰ সম্পূৰ্ণ নাম, ঠিকনা লিখা লেফাফাত উপযুক্ত ডাক টিকেট লগাই পঠাব লাগে। অপ্ৰকাশিত লেখা সংৰক্ষণ কৰা নহয়।

● যোগাযোগৰ সুবিধাৰ বাবে লেখাৰ লগত পিন ক'ডসহ লেখক-লেখিকাৰ সম্পূৰ্ণ ঠিকনা আৰু ফোনৰ নম্বৰ থকা উচিত।

**● ফোন যোগে কোনো লেখাৰ প্ৰাপ্তিস্বীকাৰ অথবা লেখাটো প্ৰকাশ হ'বনে নহয়, হ'লে কেতিয়াকৈ হ'ব—আদি প্ৰশ্নৰ উত্তৰ দিয়াটো আমাৰ বাবে সম্ভৱপৰ নহয়।**

● এইক্ষেত্ৰত আমি সকলোৰে সহযোগিতা কামনা কৰিলোঁ।

● প্ৰবন্ধ-পাতি তলৰ ঠিকনাতহে পঠাবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, প্ৰান্তিক**

নৰগিৰি পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩